পাঠ ৮


A8L3Y9

ন্ধ

# বোন্দাৰ বিলৈ



নিশাৰ ভাগত নিগনি ওলাল
কান্ধত জোলোঙা আৰি,
ভঁৰালৰ পৰা কিজানি এমুঠি
খুদ-কণ গোটাব পাৰি।



বোন্দা আছিল ডুলিৰ আঁৰত
চিকাৰ ধৰিবলৈ,
আহাৰ বিচাৰি পিলিঙা নিগনি
তাতেই ওলাল গৈ।



সন্মুখতে দেখি নিশাৰ ভোজন
জিভা কৰে লৰ-ফৰ,
থাপ মাৰোঁতেই তৰা-নৰা ছিঙি
নিগনি মাৰিলে লৰ।



নিগনিক ধৰোঁ বুলি বোন্দাই
মাৰিলে দীঘল জাঁপ,
চুণৰ চৰুত পৰি বপুৰাই
সুঁৰৰিলে বাপ বাপ।

পদ্যটো আবৃত্তি কৰা।

পদ্যটো কথা সাধুৰ ৰূপত কোৰা।



কওঁ আহা



— নিশা কান্ধত জোলোঙা লৈ কোন ওলাল?

— নিগনিয়ে কি পোৱাৰ আশাত ওলাইছিল?

— ডুলিৰ আঁৰত কোন লুকাই আছিল?

— বোন্দাই থাপ মাৰোঁতে নিগনিয়ে কেনেকৈ দৌৰিছিল?

— নিগনিটো ধৰিবলৈ গৈ বোন্দা ক'ত পৰিল?



ভাবা আৰু কোৰা।

— নিগনিটোৱে কান্ধত লৈ ফুৰা জোলোঙাত কি কি ভৰাব?

— নিগনিয়ে কি কি কুটে?



যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

কান্ধ ন্ধ ন + ধ নই ধই ন্ধ

ন্ধ ন + ধ নই ধই ন্ধ — বান্ধ, ৰান্ধনি





যুক্তাক্ষৰ গঠন কৰোঁ আহা

ন + ধ নই ধই ন্ধ

☞ মেকুৰীয়ে কেনেকৈ মাতে আৰু কেনেকৈ চিকাৰ ধৰে, শিকাৰুক অভিনয় কৰি দেখুৱাবলৈ দিব।

## পঢ়োঁ আহা

বন্ধ গোন্ধ গান্ধী আন্ধাৰ ৰান্ধনি ৰজনীগন্ধা
ৰান্ধনী বন্দনা আনন্দ বান্দৰ সুন্দৰ সন্ধান

গান্ধীজীৰ জন্ম পোৰবন্দৰত। তেওঁ লোণ-আইন অমান্য আন্দোলন কৰিছিল। তেওঁৰ লগত বহুতো কৰ্মীয়ে যোগদান কৰিছিল। গান্ধীজীয়ে দেশৰ হকে প্ৰাণ বলিদান দিছিল। দেশৰ হকে প্ৰাণ আহুতি দিয়াজনক ছহিদ বোলে।



## সমাৰ্থক শব্দ জানো আহা

| | |
|---|---|
| জোলোঙা | মোনা |
| বোন্দা | ডাঙৰ মতা মেকুৰী |
| সন্মুখ | আগফাল |
| নিশা | ৰাতি |
| আৰি লোৱা | ওলোমাই লোৱা |
| পিলিঙা | পাতল মনৰ |
| গোটাব | জমা কৰিব |



**সাঁথৰ ভাঙো আহা**

আগত <u>বা</u> পিছত <u>ৰ</u>
মাজত থাকে নই দই <u>ন্দ</u>
কোৱাচোন কোৱা জোঁটাই
মোৰ নাম কি ভাই।



**ছবিবোৰ চাই নাম কোৱা আৰু লিখা।**

........................ ........................ ........................ ........................

........................ ........................ ........................ ........................

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## যুক্তাক্ষৰটো ভাঙা আৰু শব্দ লিখা।

ন্ধ ..............................................................

ন্দ ..............................................................

## পঢ়া, কোৱা আৰু লিখা।



বাঘ, ছাগলী, হৰিণ, হাঁহ
ইহঁতৰ কোনে নাখায় ঘাঁহ?



বাহত থাকি বতাহত উৰে
খাদ্য বিচাৰি পানীত ফুৰে।

বেঙে কৰে কালৈ ভয়
চোবাই নাখায় গিলিহে থয়।



*বিভিন্ন প্ৰাণীৰ আহাৰ সম্পৰ্কে শিকাৰুক ধাৰণা দিব। স্থানীয় ভাষা প্ৰয়োগত গুৰুত্ব দিব।*

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

 **কিহে কেনেকৈ আমাক সহায় কৰে দলত আলোচনা কৰি কোৱা আৰু লিখা।**

হাতী ..............................................................
..............................................................
..............................................................
..............................................................

ঘোঁৰা ..............................................................
..............................................................
..............................................................
..............................................................



কুকুৰ ..............................................................
..............................................................
..............................................................
..............................................................

গৰু ..............................................................
..............................................................
..............................................................
..............................................................

ছাগলী ..............................................................
..............................................................
..............................................................
..............................................................

☞ *শিকাৰুক প্ৰাণীৰ উপকাৰিতাৰ বিষয়ে ক'ব আৰু মূল্যায়ন কৰাব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*



বাকচত থকা আখৰেৰে যুক্তাক্ষৰ গঠন কৰি শব্দ লিখা।

উদাহৰণ-

অ ন + ত = ন্ত অন্ত শান্ত দুৰ্দান্ত অনন্ত

আন ন + দ

বিপ ন + ন

জ ন + ম

ব ন + ধ

চাই চাই লিখোঁ আহা

বন্ধু-বান্ধৱৰ লগত মিলি থাকিবা।

সাধু কওঁ আহা

নিজৰ নিজৰ স্থানীয় ভাষাত থকা বিভিন্ন প্ৰাণীৰ সাধু ক'বলৈ দিব।

নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী